# ঈশ্বৰে তেওঁৰ লোকবিলাকক দাসত্বৰ পৰা মুক্ত কৰিলে

এই অধ্যয়ন কৰাৰ আগতে আদিপুস্তকৰ আদিপুৰুষসকলৰ বিষয়ে অধ্যয়ন *P2a1* পঢ়ক।

ল’ৰা-ছোৱালীবিলাকক শিকোৱাসকলে অধ্যয়ন *P2b1* আৰু *P2b2* পঢ়ক।

**১। যাত্ৰা পুস্তকৰ বিষয়ে শিকাবলৈ প্ৰাৰ্থনা আৰু ঈশ্বৰৰ বাক্যৰে যুগুত হওক।**

**প্ৰাৰ্থনা ঃ** “মৰমিয়াল প্ৰভু, তুমি যেতিয়া মোচিক তোমাৰ লোকসকলক মিচৰৰ ৰজা ফৰৌণ আৰু তেওঁৰ সৈন্যসকলৰ পৰা মুকলি কৰি আনিবলৈ সাহস, বিশ্বাস আৰু বাধ্যতা দিছিলা, আমাকো তেনেকৈ দিয়া। তুমি আজিও যীচুৰ নামত জাতিবিলাকক তোমাৰ ৰাজ্যলৈ আনিবলৈ, জীৱন সুস্থ আৰু সলনি কৰিবলৈ মহান অলৌকিক কাৰ্য্য সিদ্ধ কৰিবা বুলি আমি তোমাত বিশ্বাস কৰো।”

যাত্ৰাপুস্তক ১অধ্যায়ত চাওক কিয় এজন বেয়া ৰজাই ল’ৰা শিশুবিলাকক বধ কৰিবলৈ চেষ্টা কৰিছিল। যীচুৰ জন্মৰ পিচত ঠিক সেই ধৰণৰ কি কি ঘটনা ঘটিছিল (মথি ২ঃ১৩-১৬)?

যাত্ৰাপুস্তক ২ঃ১-১০ পদত চাওক মোচিক কোনে ৰক্ষা কৰিছিল।

যাত্ৰাপুস্তক ২ঃ১১-১৫ পদত চাওক মোচিয়ে পিচত কিয় মিদিয়ানলৈ পলাই গৈছিল আৰু তাত তেওঁৰ কি হৈছিল।

যাত্ৰাপুস্তক ৩ অধ্যায়ত চাওক জ্বলি থকা জোপোহাৰ পৰা ঈশ্বৰে মোচিক কি কৰিবলৈ কৈছিল।



যাত্ৰাপুস্তক ৫ অধ্যায়ত চাওক মোচি আৰু ফৰৌণ ৰজাৰ মাজত আৰু মোচি আৰু তেওঁৰ লোকবিলাকৰ মাজত হোৱা অন্তৰ্দ্বন্দ্বৰ বিষয়ে।



যাত্ৰাপুস্তক ৬-১১ অধ্যায়লৈকে ঈশ্বৰে তেওঁৰ লোকবিলাকক মুকলি কৰি দিবৰ বাবে মিচৰৰ ৰজাক বাধ্য কৰোৱাৰ বাবে দহোটা মহামাৰী পঠোৱাৰ বিষয়ে আৰু কেনেকৈ শেষ মহামাৰীতো আটাইতকৈ বেয়া আছিল সেই বিষয়ে চাওক।

যাত্ৰাপুস্তক ১২ অধ্যায়ত ঈশ্বৰে কি ভোজ স্থাপন কৰিছিল আৰু লোকবিলাকে দুৱাৰৰ চৌকাঠত কিয় তেজ লগাইছিল, সেই বিষয়ে চাওক।

মথি ১৬ঃ১৭-২৪ পদত চাওক, প্ৰভুৰ ভোজ স্থাপন কৰোঁতে যীচুৱে কি ভোজ পালন কৰিছিল।

যাত্ৰাপুস্তক ১৪ অধ্যায়ত ঈশ্বৰৰ লোকবিলাকে কেনেকৈ মিচৰৰ সৈন্যবোৰৰ পৰা ৰক্ষা পৰিছিল, সেই বিষয়ে চাওক।

পুৰণি নিয়মত ঈশ্বৰে কৰা আটাইতকৈ মহান অলৌকিক কামটো আছিল, ইস্ৰায়েলবিলাকে মৃত্যুৰ পৰা ৰক্ষা পাবলৈ চুফ সাগৰৰ মাজেদি বনোৱা ৰাস্তাটো। ঈশ্বৰে ইস্ৰায়েলৰ লগত কৰা তেওঁৰ পুৰণি চুক্তিটো এই ঘটনাৰ ওপৰত ভিত্তি কৰিয়েই কৰিছিল, যিটো যীচু খ্ৰীষ্টৰ জন্মৰ প্ৰায় ১,৫০০ বছৰৰ আগতে ঘটিল।



ইস্ৰায়েলৰ লোকবিলাকে মিচৰ দেশত নীল নদী ব-দ্বীপ এৰি, লোহিত সাগৰ পাৰ হৈ চিনয় পৰ্ব্বতলৈ উঠি গৈছিল য'ত ঈশ্বৰে মোচিক তেওঁলোকৰ পুৰণি বিধানখন দিছিল। কিছুমান পৌৰাণিক তথ্যমতে চিনয় পৰ্ব্বত #১নং ঠাইত বুলি কয়, কিন্তু পুৰাতত্ত্ববিদ সকলে মাটিৰ পাত্ৰ আৰু অলঙ্কাৰবোৰ #২নং ঠাইত আছিল বুলি কয় য'ত অনেক মানুহৰ এটি পুৰণি শিবিৰ থকা বুলি ক'ব খোজে।

*মিচৰৰ পৰা ইস্ৰায়েলবিলাকৰ পথ, তলত দিয়া মেপখনত চাওক।*




যাত্ৰাপুস্তক ১৬ অধ্যায়ত মানুহবিলাকে কিয় আপত্তি কৰিছিল আৰু ঈশ্বৰে কি দুটা বস্তু খাবলৈ দিছিল চাওক।

যাত্ৰাপুস্তক ১৭ঃ১-১৩ পদলৈকে চাওক।

- মানুহবিলাকে আকৌ কিয় আপত্তি কৰিছিল আৰু ঈশ্বৰে তেওঁলোকক কি যোগাইছিল।
- হাৰোণ আৰু হূৰে কিয় মোচিৰ হাত দাঙি থব লগা হৈছিল।

যাত্ৰাপুস্তক ১৮ অধ্যায়ত মোচিয়ে মানুহবিলাকক কেনেকৈ সংগঠিত কৰি লৈছিল সেই বিষয়ে চাওক।

**২। আপোনাৰ সহকৰ্ম্মীসকলৰ সৈতে তেওঁলোকে সপ্তাহটোত কৰিবলগীয়া কামবোৰৰ আঁচনি তৈয়াৰ কৰি লওঁক।**

- যিথ্ৰোৱে উপযুক্ত মেৰপালকৰ নাম দিবলৈ দিয়া পৰামৰ্শ ব্যৱহাৰ কৰি প্ৰাৰ্থনা দল আৰু গোটবোৰ আৰম্ভ কৰক।
- নতুন দীক্ষিত মেৰপালকৰ যাত্ৰাপুস্তকৰ অধ্যয়নৰ পৰা তেওঁলোকৰ মেৰবিলাকক শিকাবলৈ প্ৰশিক্ষণ দিয়ক।
- এই চলালঁতাসকলক যিবিলাকৰ প্ৰয়োজন আছে বা যিসকল ৰোগীয়া তেওঁলোকক বুজাবলৈ বা তেওঁলোকৰ বাবে প্ৰাৰ্থনা কৰিবলৈ যাবলৈ কওঁক।

**৩। আপোনাৰ সহকৰ্ম্মীসকলৰ সৈতে পিছত হ’বলগা উপাসনাৰ সময় ঠিক কৰি লওক।**

মানুহবিলাকৰ প্ৰয়োজন অনুসৰি কামবোৰ বাছি লওঁক।

আপুনি প্ৰথম ভাগত অধ্যয়ন কৰা কিছুমান ঘটনা মনত পেলাওক নাইবা নাটক কৰি দেখুৱাওক।

যিহুদীবিলাকে তেওঁলোকৰ দুৱাৰৰ চৌকাঠত কিয় তেজৰ দাগ লগাইছিল বুজাই দিয়ক। প্ৰভুৰ ভোজৰ লগত নিস্তাৰ পৰ্বৰ ভোজৰ কি সম্পৰ্ক আছে বুজাই দিয়ক।

ফৰৌণ এজন বেয়া ৰজা, তেওঁ যে চয়তানৰ বাইবেল সম্বন্ধীয় এটি ছবিহে হয়, এই কথাটো বুজাই দিয়ক।

- চয়তানৰ নিচিনাকৈ ফৰৌণৰ মহান শক্তি আছিল আৰু মানুহবিলাকক দাস কৰি ৰাখিছিল।
- ঈশ্বৰে যেনেকৈ ফৰৌণ আৰু তেওঁৰ বৃহৎ সৈন্যৰ পৰা ইস্ৰায়েলসকলক মুকলি কৰি আনিছিল, ঠিক সেইদৰে যীচুৱে মানুহক চয়তান আৰু তাৰ বেয়া আত্মাৰ সৈন্যৰ পৰা মুকলি কৰে।
- যিসকলক তেওঁলোকৰ পাপ আৰু আত্মাবোৰৰ পৰা মুকলি হ’বৰ বাবে খ্ৰীষ্টৰ প্ৰয়োজন আছে তেওঁলোকৰ বাবে প্ৰাৰ্থনা কৰক।
- ল’ৰা-ছোৱালী বিলাকে প্ৰস্তুত কৰা বিষয়বোৰ দেখুৱাবলৈ দিয়ক।
- প্ৰভু ভোজ চিনাকি কৰি দিবলৈ যাত্ৰাপুস্তক ১২ঃ৩ পদটো পঢ়ি দিয়ক আৰু বুজাওক।
- নিস্তাৰ পৰ্বৰ ভোজ পালন কৰিবৰ বাবে ইস্ৰায়েলসকলে এটি মেৰ পোৱালী ভোজন কৰিছিল।
- ঈশ্বৰৰ দূতে মিচৰ দেশৰ ওপৰেদি পাৰ হৈ গৈছিল আৰু প্ৰত্যেক ঘৰৰ ডাঙৰ সন্তানক বধ কৰিছিল, কিন্তু যিবিলাক ঘৰৰ দুৱাৰৰ চৌকাঠত তেজৰ দাগ দেখা পাইছিল, সেইবিলাকক বাদ দি গৈছিল।



- যীচুৱেই হৈছে গোটেই জগতৰ পাপ বৈ নিওঁতা ঈশ্বৰৰ মেৰ পোৱালী।
- যীচুৱে আহি মৃত্যুবৰণ কৰা বাবে প্ৰভু ভোজ হৈছে আমাৰ নিস্তাৰ পৰ্ব্ব।



বিশ্বাসীসকলক কেনেকৈ প্ৰভুৰ ভোজে যীচুৰ বলিদান বিষয়ক মৃত্যু সোঁৱৰণ কৰিবলৈ আৰু সমাদৰ কৰিবলৈ সহায় কৰিছে, সেই বিষয়ে বিশ্বাসীসকলক সাক্ষ্য দিবলৈ কওঁক।

ইজনে সিজনৰ কাৰণে প্ৰাৰ্থনা কৰিবলৈ আৰু তেওঁলোকে কেনেকৈ আন মানুহবোৰক চয়তানৰ দাসত্বৰ পৰা মুক্ত হ’বলৈ সহায় কৰিব পাৰে, সেই বিষয়ে আলোচনা কৰিবলৈ দুই বা তিনিজনীয়া দলবোৰ গঠন কৰক।

পুৰুষসকলক যাত্ৰাপুস্তক ১৫ঃ১৮-১৯ পদ আৰু তিৰোতাবিলাকক ২০-২১ পদ কেইটা মুখস্থ কৰিবলৈ দিয়ক।

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net